

## শ্ৰীৰত্নকান্ত বৰকাকতী

বেচ—॥০ অনা

# আগ কথা

প্ৰকৃত কবিৰ কথা এৰি, কবিতা লেখাটোও মানুহৰ এটা ৰাগীৰ দৰে ! ৰাগিয়াল বস্তু খোৱা মানুহে যেনেকৈ তাক একেবাৰেই এৰিব নোৱাৰে, এৰিলেও আকৌ কেতিয়াবা চল পালেই ধৰে, কবিতা লেখা মানুহেও কবিতা লিখিবলৈ এৰি দিলেও, মাজে সময়ে তেওঁৰ কবিতা লিখা প্ৰবৃত্তিটোৱে উক দিয়ে। এই লেখকৰো মাজে সময়ে সেই প্ৰবৃত্তিটোৱে উক দি থাকে । এনেকৈ উক দিওঁতে লিখা কবিতা গোট খাই তেওঁৰ ভালেমান হৈছে, সেইবোৰ একে লগে থূপ খুৱাই উলিয়াবৰ হলে এখন ডাঙৰ কিতাপ হয়, তাক ছপাই উলিওৱা আৰু বজাৰত বিলোৱা দুইটা আজিৰ দিনত দুৰূহ ব্যাপাৰ । সেই দেখি একোটা চিন্তাৰ গতি ধৰি ওলোৱা কেইবাটাও কবিতা গোটাই গোটাই একোখন সৰু কবিতা পুথি উলিয়াব পাৰিলেও—'নাই মোমাইতকৈ কণা মোমায়েই ভাল'ৰ দৰে হয় । 'তৰ্পণ' তেনেকুৱা প্ৰায় একে ধৰণৰ চিন্তাৰ গতি ধৰি ওলোৱা ন-টা কবিতাৰ এখন কিতাপ ।

এই লেখকৰ 'শেৱালি'ৰ পিছত লিখা না-না তৰহৰ কবিতা পৰি আছে ; 'তৰ্পণ' এক বিশেষ শ্ৰেণীৰ কবিতা—'তৰ্পণে'ৰ ইজৰ আদৰ পালে সেইবোৰ কবিতাও ভাগ ভাগকৈ উলিয়াবৰ মন আছে।

তৰ্পণ'ৰ ন-টা কবিতাৰ ভিতৰত 'গান্ধী তৰ্পণ'কে আদি কৰি চাৰিটা কবিতা ভক্তিভাজন আৰু প্ৰিয়জনৰ বিয়োগত কৰা তৰ্পণ। 'তৰ্পণ' পঢ়ি অসমীয়া পাঠক সমাজ, ঘাইকৈ সাহিত্যিক সমাজ তৃপ্ত হলে লেখকো নিশ্চয় তৃপ্ত হব।

## — শুধৰণি —

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ১ | — | খণ্ডিতা-জননা | খণ্ডিতা জননী |
| ১ | ৪ | ৰমনী | ৰমণী |
| ২ | — | গান্ধীতর্পন | গান্ধী-তৰ্পণ |
| ৪ | ২ | মাথে’ | মাথে। |
| ১৩ | ১৪ | বনান-ছন্নাত | বননি-ছায়াত |
| ১৮ | ১০ | দুৰ দুৰনিৰ | দূৰ-দূৰণিৰ |
| ২১ | ১১ | অনন্ত-জ্যোতি | স্তে যেই এক |
| " | " | তাৰপোহৰতে | যাৰ পোহৰতে |
| ২২ | ১৩ | ৰমনাৰো | ৰমণীৰো |
| ২৪ | ৬ | কোমাক | তোমাক |
| ২৯ | ১০ | নিজে নিজে | নিজ-নিজ |
| " | ২১ | ভড়াল | ভঁড়াল |

# উৎসৰ্গ

## খণ্ডিতা-জননী

অমৃতা জননি! মোৰ অখণ্ড ভাৰত !
পিয়ালা অমৃত তুমি সন্তানক আজি
মিলনৰ কত ধাৰে যুগ যুগান্তৰ!
খণ্ডিতা হঠাৎ আজি। খণ্ডিতা * ৰমনী
কোন বাৰু পতিৰ ৰোষত ? পতি যদি
ভগৱন্ত নিজে মুৰাৰি অমৃত তত্ত্ব !
অমৃতৰ পুত্ৰ বুলি সম্বোধি বিশ্বক
তোমাৰে সন্তান ঋষি, শুনালে
যি দিব্য বাৰ্ত্তা মিলনৰ, বিশ্ব-চিত্ত-হাৰী
সি বাৰ্ত্তা-বাহিনী হই অখণ্ড প্ৰেমৰ
পাৰিবাঁনে ৰব ধৰি মূৰ্ত্তি খণ্ডিতাৰ
লাজে-ক্ৰোধে দগ্ধ হই দিবস শৰ্ব্বৰী ?
অখণ্ড সত্যৰ মূৰ্ত্তি অখণ্ড ভাৰত
খণ্ডিতা ! মূৰ্চ্ছিতা! পুনু নহবা জাগ্ৰত ?

১৫ আগষ্ট, ১৯৪৭

---

*অন্য স্ত্ৰীৰ প্ৰেমত আসক্ত স্বামীৰ প্ৰতি ক্ৰুদ্ধা।

# গান্ধী-তৰ্পন

কৰিম তৰ্পন কিবা কবিতাৰে আজি হে তোমাক
লিখি আৰু নতুন কবিতা?
জীৱন্ত কবিতা তুমি আপুনি মহাত্মা!
বাজি গলা আজীৱন
জীৱন-বাঁহীৰে
ফুকাৰি মৰণ-ৰন্ধ্ৰ জীৱন-উচ্ছ্বাসে
তুচ্ছ কৰি মৰণকো
অনিবাৰ তোমাৰ সি
অমৰ হাঁহিৰে।

অৰ্দ্ধ ই শতাব্দী ব্যাপি মুক্তি সি স্বৰ্গৰ তুমি
উষাৰ বৰণে
নৱ এক বাণীময়
কৰ্ম্মময়
জগতৰ কবিতা উদয়!
বাজি গলা বাজি ৰ'লা
আজীৱন জীৱনে মৰণে,
হেঙুলী উষাৰ তুমি বৰণে বৰণে!

ৰঞ্জি শেষাদ্ৰি আজি বুকুৰ তেজেৰে আহা!
বাজি গলা করুণ বিনান তুমি
ভাৰতৰ গগনে গগনে
হেঙুলী উষাই নিজে ঘোষিব বেদনা ইযে
ফোঁট পিন্ধি কপালত

ৰাঙলী তেজৰে সেই
চিৰদিন হেঙুলী ৰহনে !
বাজি গলা বাজি ৰ'লা
আজীৱন জীৱনে মৰণে
হেঙুলী উষাৰ তুমি
বৰণে বৰণে।

নুবুজো কোন সি অমৰ্ত্ত্য লোক
আজি য'ত ৰিৰাজিলা তুমি,
কেনেবা পোহৰ তাৰ
কেনেবা আন্ধাৰ ?
লভিলা এতিয়া তুমি কিবা নৱ জাগৰণ ?
নতু সি সুষুপ্তি চিৰ
চিৰ তমসাৰ ?
য'ৰ পৰা তুমি আৰু
কোনো দিনে কেতিয়াও
নুঠিবা এবাৰ !
চিৰ সি সুষুপ্তি মাথোঁ
চিৰ তমসাৰ ?

আৰুতো নুশুনো পুনৰ কোনো দিনে কেতিয়াও
নক্ষত্ৰে নক্ষত্ৰে আৰু
অক্ষয় অমিয়া সেই—
কণ্ঠস্বৰ তৱ

পৃথিবীৰ মাত একেষাৰ। —
কাণেৰে নুশুনে যোনে' কাণক শুনায় মাথোঁ
তেনে কি ব্ৰহ্মতে পূৰ্ণ
তুমি পুণ্যতনু,
ছিঙি থই ইন্দ্ৰিয়ৰ দ্বাৰ
পলকতে গলা আজি মাৰ?
চকুৰে নেদেখে যোনে চকু কৰে অহৰহ
বিশ্বময় দৰ্শন-ব্যাকুল!
কিবা সি অনন্ত জ্যোতি
অগোচৰ অনাদি অতুল!
নুবুজোঁ তাকোতো হাঁয়
জ্যোতিৰ্ম্ময় ব্ৰহ্ম সি কি
সেয়ে নে কি হলা আজি
তুমি ভক্ত কৰ্ম্মযোগী
জীৱনত আজীৱন
ঈশ্বৰ-আকুল?
নাজানো, তোমাৰ সত্য
সাম্য-শান্তি-প্ৰেম
উড়ি উড়ি বতাহতে
ৰ'ব নেকি জগতত চিৰদিন
অৰণ্য-ৰোদন?
নতু হব বসন্তৰ প্ৰতীক্ষাত
জগতৰ নৱ

---

১ যোনে যি (Who) কামৰূপৰ ফালে "যোনে" বোলে। গতিকে কবিতাত মিলৰ অৰ্থে ব্যৱহাৰ কৰা হল। —লেখক

কুহু-স্বৰ কোকিলৰ
ৰহস্যৰ অনিবাৰ
মধুৰ স্বনন্ ?

হয়তো নহব ধৰা
তুমি কৰা সাধনাৰ
মিলনৰ মহা মন্ত্রে কোনো দিনে হাঁয়
অপূৰ্ব্ব শান্তিৰ স্বপ্নপুৰী,
নাশ হই সমুলঞ্চে নৰপশু যত
ঘৰে ঘৰে দেৱ শিশু
ফুৰিব যিদিনা আহি
সদানন্দে বিচৰণ কৰি !—

হয় তো অহিংসা হিংসা আৰু
অসূয়া-প্ৰণয় সেই
জীঘাংসা জীৱৰ যত
সততাসততা ২
আন্ধাৰে পোহৰে দুয়ো
থকাদৰে থাকিবহই
জগতত চিৰদিন
দ্বন্দ্ব-বিৰুদ্ধতা !
তথাপিতো জগতত যতদিন চমকিব অন্ধকাৰ
আলোৰ ক্ৰন্দন কৰি

২ সততা সততা = সততা + অসততা

লক্ষ সউ নক্ষত্ৰৰ
আকুল স্পন্দনে,
চমকিব ততদিন হৃদয়ৰো অন্ধকাৰ
হিংসা-দ্বেষ-বৈৰী-ভাৱ
জিঘাংসা-যন্ত্ৰনা
শান্তি মাগি তোমাৰেই
প্ৰাণৰ কম্পনে।

জগতেও ততদিন বন্দিব যে তোমাকেই
ভাৰতৰ হৃদয়ৰ
অধ্যাত্ম বন্দনে,
পাতলাব ততদিন পৃথিবীৰো হা-হাকাৰ
ধ্বনি তুলি মিলনৰ
জগৎ-শান্তিৰ
তোমাৰেই প্ৰাণৰ স্পন্দনে। *

---

* মহাত্মা গান্ধীৰ প্ৰয়াণৰ পিছত তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা লিখা।
—লেখক

# মৰ্ত্ত্যৰ কবি
# আৰু
# স্বৰ্গৰ গান্ধী

গান্ধী :— পৃথিবীৰ কবি তুমি
আহি স্বৰ্গলই
চৰালা সোণত সুৰগা আজি,
আনিছাঁ কি বাৰ্ত্তা বাৰু
উঠিছে কি বাজি
হৃদয়ৰ তন্ত্ৰীত তোমাৰ
'মৰ্ত্ত্যৰ অমৃত ঢালিম স্বৰ্গক' বুলি ?
ঢালা কবি পিওঁ প্ৰাণ ভৰি;
পিয়ক স্বৰ্গয়ো
ধাৰে ধোৱা অমৃতৰ ধাৰ
ধৰাৰ হিয়াৰ
হাঁহি অশ্ৰু
মিলনৰ বিচ্ছেদৰ,
সুৰেৰে সুৰৰ পুৰী
পূৰ্ণ কৰি
ধৰাৰ কবিয়ে আজি
ঢালি থোৱাঁ অমৰাত

নিজৰি নিজৰি বোৱা
পৃথিৱীৰ অন্তৰৰ
সুৰৰ লহৰী—।

কবি :— মৰ্ত্যই কৰাব পান
অমৰ্ত্ত্য'ক বাৰু
কিবা সি অমৃত প্ৰভো!
কিবা সি সঙ্গীত,—
জৰা-মৃত্যু-ৰোগ-শোক-দুৰ্ভিক্ষে জৰ্জ্জৰিত
আজিও যে সেই
তুমি এৰি থই
গুচি অহা পৃথিৱী আমাৰ
আছে তেনেকৈয়ে;
কিবা আছে ৰস তাৰ
কিবা আছে প্ৰাণ?
আজিও তো হোৱা নাই
ধৰা হাঁয়
তোমাৰ কল্পিত সেই
তোমাৰ ইপ্সিত
শান্তি-প্ৰেমে মিলনৰ
সুস্থ বসুন্ধৰা,—
বয় যত দেশে দেশে
ঘৰে ঘৰে
জাতিয়ে জাতিয়ে

হৃদয়ৰ অকপট বিশ্বাস-প্ৰীতিৰ চিৰ
সুশীতল
কল্ কল্
অভয় আনন্দ-মন্ত্ৰ
নিজৰি নিজৰি বোৱা
জীৱনৰ গভীৰ নিজৰা !

গান্ধী :— হোৱা নাই এতিয়াও বসুমতী
শান্তি-প্ৰেম-মিলনেৰে
অলপো শীতল ?
যোৱা নাই এতিয়াও
অমৰ আত্মাৰ
মানুহৰ গা ৰ
ধূলি বালিবোৰ ;
হোৱা নাই এতিয়াও
অলপো কি দূৰ
হিংসা-দ্বেষ-লেশ
ভাৰত ভূমিতো মোৰ ?

কবি :— হোৱা নাই অলপো সি দূৰ
যোৱা নাই এতিয়াও
তুমি ভৱা
'অমৰ আত্মাৰ'
মানুহৰ গাৰ
ধূলি-বালিবোৰ ;

ভাৰত ভূমিও সেই
আগৰে দৰেই
আলয় হিংসাৰে পৰস্পৰ,
লাঞ্ছনা, বঞ্চনা মাথোঁ
নিজকে নিজৰ !
হিংসাৰে অনল মাথোঁ
পৃথিবীৰ চৌদিশে
লেহি লেহি
জিভা মেলি
জ্বলিছে কেৱল;
কোন দিনা দাবাগ্নি উঠে যে জ্বলি
খাণ্ডৱ-দাহৰ
ঠিক নাই;
ত্ৰাস-ভয়-দুশ্চিন্তা সদায়
অবিশ্বাস পৰস্পৰে
পৃথিবীৰ নেতাই নেতাই;
অস্থিৰ সকলো দেশ
বুকু তল্‌মল্
নৱজাত স্বাধীনতা
ভাৰতো বিহ্বল !
নিজকে বঞ্চনা মাথোঁ নিজকে লাঞ্ছনা
চৌদিশে গঞ্জনা কেৱল !

গান্ধী :— এতিয়াও ঘূৰিছে কি একেদৰে

শোষণ-পেষণ যত
শাসনৰো ৰথচক্ৰ
ৰুধিৰেৰে দৰিদ্ৰৰ সেই
আগৰে দৰেই
ওৰে বাট ৰঙা হই হই ?

কবি :— একেদৰে একেদৰে সেই
ঘূৰিছে ৰথৰ চক্ৰ-
ঘূৰিছে যিদৰে
চন্দ্ৰ-সূৰ্য্য-গ্ৰহ-তৰা
অবিৰাম অলপো নৰই !
শোষন-পেষণ যত
শাসনৰো ৰথ চক্ৰ
ঘূৰি আছে একে দৰে সেই
একে দৰে আগৰে দৰেই ।

গান্ধী :— নাই ! ঘূৰা নাই চন্দ্ৰ সূৰ্য্য
ঘূৰিছে যি দৰে
নোৱাৰিব ঘূৰিব সিদৰে সদা
চিৰন্তন ৰূপে
নহয় কদাপি সি নীতি
বিধাতাৰ চিৰন্তন,
মানুহৰ হৃদয়ৰো নহয় সি
জানা ধৰ্ম্ম সনাতন ।

কবি :— আজিও আছে তো হই
নীতি সেয়ে পৃথিৱীৰ মানুহৰ
হিংসা-দ্বেষ- জিঘাংসাপ্ৰধান,
আকাশে বতাহে উড়ে
কত' যন্ত্ৰ, নৱ আৱিষ্কাৰ
তাৰেই নিচান !
শ্ৰীহীন কবি মই সেই
ধৰাৰ বিশ্ৰী !
দিমনো বাতৰি কি ?
শুনাম কি আনন্দ সঙ্গীত
সুৰ-লোকে পিব যাৰ সুৰৰ অমৃত !
তুমি নিজে মহাত্মন !
দিব্য জ্যোতি জ্বলিছাঁ স্বৰ্গৰ
আহিছোঁ শুনিম বুলি
বাণী মাথোঁ শ্ৰীমুখ-নিঃসৃত
স্বৰ্গ-মৰ্ত্য একে কৰা সেই
তোমাৰেই অমৃত কণ্ঠৰ !
বিশ্ৰী ধৰাৰ মই দিম কি আনন্দ
পঙ্কেৰে চৰ্চিম কিনো চৰণ—পঙ্কজ ?

গান্ধী — তুমি কবি গাই যোৱাঁ
সনাতন সেই
অনন্ত কবিৰে দৰে,

নদীবোৰে

আই মাতৃ বসুধাৰ
বুকু জুৰ কৰি
শান্তিৰ শীতল ধাৰ

কেনেকই বই
কুলু কুলু কই
গই আছে দুয়ো কাষ
সুজলা সুফলা সেই
শস্য-শ্যামলা কৰি;
মৃদু সি হিল্লোল লাগি বসন্তৰ নৱ
কেনেকই আহা !
তৰুলতা উঠিছে মুঞ্জৰি
ভ্ৰমৰ গুঞ্জৰি
বিকশিছে ফুল,
শুনি সি কবিতা আজি
নিলাজী বনৰ দৰে
জাপ খাই থকা সৰগত

হ'ক মোৰো এই
হৃদয় উৎফুল !
গছে-গছে পৰি সেই
চৰাই চ্কতিবোৰ
কিবা আনন্দত ভোৰ !
কৰে সি কি কলৰোল !

আকাশে বতাহে আনি
দিয়ে সানি
সি যে কি অপাৰ্থিৱ
আনন্দ-উল্লাস !
মৰ্ত্যৰ কবিয়ে তুমি
স্বৰ্গ চুমি
কৰাঁ আজি কৰাঁ তাৰে
অনিন্দ্য প্ৰকাশ !
উজাৰি উদাৰ
হৃদয় তোমাৰ
উদাৰা মুদাৰা জোৰাঁ গান
মেলি দিয়া ছত্ৰে ছত্ৰে
হৃদয়ৰ শত পত্ৰ
মৰ্ত্যৰ অমৃত সেয়ে
সেয়ে যে কবিৰ অৱদান ।

# সেই এটি গত দিন হিন্দু জীৱনৰ।

[১]

কল্পনাৰ নেত্ৰ ভৰি    দেখি সি অপূৰ্ব্ব দৃশ্য
পুলক-বিহ্বল মোৰ
আজি প্ৰাণ-মন,
প্ৰথমে সি সিন্ধু তীৰ    কঁপি উঠা তিৰ্‌ বিৰ্‌
পূৰ্ব্ব দিগন্তৰ ৰাগে
কনক বৰণ।

(২)

জবা কুসুম-সংকাশ    কাশ্যপেয় মহাদ্যুতি
আহে যেবে উঠি ধাৰে
বিস্ফাৰি তমসা,
সে দিনা কি বিস্ময়েৰে    চাইছিল আৰ্য্য নৰে
চিৰ তুষাৰৰ, সেই
লভি নৱ আশা

(৩)

সেই দ্যুতি— কৰ স্পৰ্শ    লভিয়ে নে প্ৰথমতে
ধৰিত্ৰীৰ অন্ধকাৰ
দূৰ হব ধৰে ?
সেই এটি দিনে নেকি    প্ৰথমতে জগতৰ
সত্য ক’ত জানিবৰ
সূত্ৰপাত কৰে ?

[৪]

সেই এটি কি যে দিন      হিন্দু জীৱনৰ সেই
বন-কুঞ্জ-ভৱনৰ
পঞ্চনদ তীৰ,
তাপস কবিৰ য'ত      পিক-কণ্ঠে আনন্দৰ
উঠিছিল সাম ধ্বনি
ধ্বনি সুগম্ভীৰ !

[৫]

শুনি সি অমৃত গান      বনে-বনে উচ্ছ্বাসতে
মুঞ্জৰিত তৰু-লতা
আপোনা আপুনি,
আবেগতে অন্তৰৰ      তাপস কবিৰ সেই
উঠে যেন ফুলি ফুল
ফুলনী বননী !

(৬)

দুপৰীয়া গুণ্ গুণ্      বননি-ছয়াত যেন
বাজে বীণ আকাশৰ
মধুপ-গুঞ্জণ,
বন-কপোতৰ সেই      পৰাণ উদাস কৰা
উটি যায় আকাশত
স্বৰ বৰিষণ !

(৭)

তৰু-তল ভৰি থকা      শুকান পাতৰ, পিন্ধি
নুপূৰ মৰ্ম্মৰি আহা
আহে সমীৰণ,

পৰ্ণ কুটীৰত যেৰে    শান্ত ধ্যানমগ্ন ঋষি
কৰেঁা বুলি ব্ৰহ্মাণ্ডৰ
ৰহস্য-মোচন !

(৮)

কোন সি প্ৰথম প্ৰাণ    লভি আত্ম-পৰিচয়
উচ্চাৰি উঠিল কোন
ঋষিৰ সি কণ্ঠ,—
"শুনা বিশ্ব অমৃতৰ    পুত্ৰসৱ জানিছোঁ হে
অন্ধকাৰ ভেদি মই
পুৰুষ মহান্ত",

(৯)

"আদিত্য বৰ্ণৰ দৰে"    যাক জানিলেই নৰে
মৃত্যুকো লঙ্ঘিব পাৰে
জড়ৰ জঞ্জাল,
সেয়ে মাথোঁ এক সত্য    বিশ্ব ভুবনৰ এই
তৃণ-তৰু-ওষধিতো
বিৰাট বিশাল ৷

(১০)

শুনি সি অনন্ত বাৰ্ত্তা    সি দিনা ভাৰতবৰ্ষ
থলকি উঠিল সি কি
বিপুল হৰ্ষত,
হৃদয়ে হৃদয়ে সিকি    বিশ্বাস আনন্দ—শ্ৰদ্ধা
উপচি পৰিল স্পৰ্শ—
মনিৰ স্পৰ্শত !

(১১)

পঞ্চ নদ-তীৰে তীৰে          অনন্ত আকাশ ছানি
কত শত ঋষি কণ্ঠ
বৰষিলে ধ্বনি,
প্ৰথম পুৱাৰ সেই          বিবিধ বিহঙ্গ যেন
মুক্তকণ্ঠ, পোহৰৰ
লভি সঞ্জীৱনী !

(১২)

চাপিলেহি তপোবন          যেদি আহি কত শিষ্য
চউ পাশে ঘেৰি লই
ঋষি-গুৰুবেদী,
মধুলোভী মধু যেন          আহে দূৰ দূৰনিৰ
গুণ্ গুণ্ গুণ্ ৰৱে
মধুচক্ৰ যেদি !

(১৩)

বনৰ হৰিণো আহি          আশ্ৰমৰ প্ৰাঙ্গণত
নিৰ্ভয় মুকলিমনে
কৰেহি উল্লাস,
চৰ আৰু অচৰৰো          আঁতৰিল ভেদ-ভাৱ
আত্মীয় সকলো প্ৰাণ
আত্মাৰে প্ৰকাশ !

[১৪]

অদম্য প্ৰাণৰ সেই          আনন্দ উচ্ছ্বাস লাগি
শিশু যেন প্ৰভাতৰ
লভি জাগৰণ,

'সোদৰৰ ভাতৃ' বুলি আকোঁৱালি বুকু মেলি
পৰস্পৰে পৰস্পৰ
দিলে আলিঙ্গন !

[১৫]

অন্নই কৰিলে বহু আপোনাক, বহু হল
প্ৰজা, পল্লীৰ প্ৰতিষ্ঠা,
নগৰ নিৰ্ম্মিত;
ক্ৰমে ৰাজ্য সুগঠিত, চাওঁতে চাওঁতে আহা
হল আহি ভাৰতৰ
সাম্ৰাজ্য স্থাপিত।

[১৬]

সেই এটি গত দিন হিন্দু জীৱনৰ সেই
সিন্ধু-গঙ্গা-কাবেৰীৰ
ত্ৰিবেনী-সঙ্গম,
উঠিছিল মথি য'ত অমৃতৰ মহাধ্বনি
মুগ্ধ কৰি চৰাচৰ
স্থাবৰ জঙ্গম।

[১৭]

হিন্দু জীৱনৰ সেই সেই এটি গত দিন
জগতৰ সভ্যতাৰ
প্ৰথম শিখৰ,
নৱ অৰুণৰ ৰাগে আহিছিল নামি বেগে
প্ৰথমতে ধৰালই
আলোক-নিৰ্ঝৰ।

[১৮]

সেই এটী গত দিন হিন্দু জীৱনৰ সেই
সিন্ধু-গঙ্গা-কাবেৰীৰ
ত্ৰিবেনী-সঙ্গম,
আই লক্ষ্মী-সৰস্বতী একেলগে আবিৰ্ভূতা
ৰজাৰ ভৱন আৰু
ঋষিৰ আশ্ৰম ।

[১৯]

ৰথৰ ঘৰ্ঘৰ ৰৱ ধনুৰ টঙ্কাৰে আৰু
এঠাত উন্মাদ স্ফূৰ্ত্তি
ক্ষত্ৰিয় গৰিমা,
ই ঠাইত বেদৰ ধ্বনি থাকি থাকি সুগম্ভীৰ
বিৰাজে কি স্তব্ধ মৌন
ব্ৰাহ্মণ-মহিমা ।

[২০]

ব্ৰাহ্মণ-মহিমা সেই দীপ্ত কৰি হোম-অগ্নি
জ্বলিব ধৰিলে আহা
যেতিয়া যজ্ঞত,
কোন সি দেৱতা আহি দ্যুলোকে-ভূলোকে ভাহি
লগালেহি কৌতুহল
ঋষিৰ মনত ?

[২১]

'কোন সি দেৱতা' এই উঠিল গভীৰ প্ৰশ্ন
'দীপ্তিত কাৰ দীপ্ত, হই
উদিছে ৰবি,

"কোন সি মূলত, কম্প্ৰ সজীৱ, জঙ্গমাদিৰ
পূজিম কোন সি. দেৱতা
প্ৰদানি হবি ?

[২২]

কোন সি মহান বৃক্ষ মৃত্যু ও অমৃত যাৰ
পৰে দুৰ্খপনে দুইটি
বিপুল ছায়া ?
কোন সি দেৱতা ? কাৰ চৰণত শৰণ লই
স্তুতি কৰে লুটিখাই
ক্ৰন্দসীৰ কায়া।

[২৩]

দিগ্বিদিক্ টল্ বল্ কৰি মহা কৌতূহল
অনিবাৰ পিপাসাৰ
সিন্ধু—মন্থনত,
তুলিলে হঠাৎ যেন অমৃত অমৃত জ্ঞান
অমৃতৰ মহা গান
ঢালি ভুবনত :—

[২৪]

"জ্বলা নাই চন্দ্ৰ-সূৰ্য্য জ্বলা নাই গ্ৰহ-তৰা
জ্বলা নাই অগ্নি ক'তো
বিজুলী পোহৰ,
জ্বলিছে অনন্ত জ্যোতি তাৰ পোহৰতে মাথোঁ
জ্বলিছে সকলো এই
বিশ্ব চৰাচৰ"।

[২৫]

অনন্ত বিৰাট প্ৰাণ সমুদ্ৰৰ হেন্দোলনি
জোৱাৰ ভাটাৰ দৰে
জনম-মৰণ,
বিজুলীত জ্বলি উঠি বৃষ্টিত বাগৰি পৰে
অনন্ত আনন্দ এক
অনন্ত ক্ৰন্দন।

[২৬]

অন্ত তাৰ হোৱা নাই অন্ত তাৰ পোৱা নাই
ধৰি যুগ যুগান্তৰ
মানুহৰ জ্ঞানে,
অন্ত তাৰ পাইছিল নাপায়ো সিদিনা ঋষি
অন্তৰতে, নৈয়ে পায়
সাগৰক যেনে।

[২৭]

অনন্ত অমৃত তৃষ্ণা ৰমনীৰো পমি যোৱা
অন্তঃস্থল ভেদি সেই
মৈত্ৰেয়ী-কণ্ঠত,
প্ৰাৰ্থনাৰ ৰূপ লই বই গল নই হই
অনন্ত সিন্ধুৰ পিনে
যুগ-যুগান্তত।

[২৮]

"অমৃতা নহম যাৰে কি কৰিম বাৰু তাৰে"?
কি কৰিম অন্তহীন
বস্তুৰ পুঞ্জেৰে?
যুগ যুগ ধৰি আজি 'অমৃত' নহওঁ যদি"
একে কথা "কি কৰিম?
হৃদয়ে গুঞ্জৰে! *

---

* লিখকৰ সুদীৰ্ঘ "ভাৰতবৰ্ষ" বোলা কবিতাৰ এক অংশ।

# সি পুৰীত আলেক্‌জেণ্ডাৰ আৰু পুৰু।

আলেকজেণ্ডাৰ—প্ৰথম সি পৰাজয় জানা মোৰ পুৰু,
তোমাৰে হাতত পৃথিৱীত! ইতিহাসে
ক'ক যিবা কয়, নিজেও যিহকে কওঁ
গৰ্ব্বৰ বলত মই, মুক্তকণ্ঠে আজি
কৰিছোঁ স্বীকাৰ পুনৰ্ব্বাৰ ই পুৰীতো
সেই কথা। পাহৰিব পৰা নাই মই
আজিও যে চিত্ৰ সেই ভীষণ ৰাতিৰ!
তিমিৰ সি অন্ধকাৰ, ঘনে ঘনে বজ্ৰ-
পাত, কল্ কল্ শতদ্ৰুৰ খৰস্ৰোত, মহা-
স্ফীত সি উন্মাদ, বৃংহিত হস্তীৰ সেই,
অশ্বৰ সি হ্ৰেষা-ৰৱ, ৰথৰ ঘৰ্ঘৰ,
প্ৰলয়-সংঘৰ্ষ মানুহৰ, এতিয়াও
মাৰি যায় ভূমিকম্প থাকি থাকি কিযে
এটা স্মৰণত মোৰ!

পুৰু— ভূমিকম্প!

আলেকজেণ্ডাৰ—ভূমিকম্প! সেই ভূমি কম্পনত দেখোঁ
বিপুল সি কলেৱৰ তব অতিকায়
গজাৰোহী! সমুখত তাৰ অশ্বৰাজ
"বুকফাল" মোৰ! অতি সৰু দেখুৱালে
বোধ হয় বীৰেন্দ্ৰ ই আলেকজেণ্ডাৰ
সেই দিনা শতদ্ৰুৰ সন্ত্ৰাস্ত তীৰত!

নাছিলোঁ প্ৰস্তুত জানা পুৰু; সমুখীন
হ'ম বুলি সেই পৰিনাম ইমান
সহজে বৰ্ব্বৰ দেশত আহি তৱ! উঃ

পুৰু — ভাবিছিলোঁ তুমি সকলো নিৰ্জ্জীৱ, সুখ
প্ৰিয়, সিন্ধুৰ পাৰত তক্ষশীলা দৰে,
এৰি দিব বাট, তোমাক বৰণ কৰি
ভাবিব সৌভাগ্যৱান নিজক মনত,
চৰণত স্বদেশক ঢালি জলাঞ্জলি!

আলেকজেণ্ডাৰ—তেনে হোৱা হলেও বাৰু পুৰু, মন্দ
কিবা হল হয় জানো? আলকজেণ্ডাৰ
তো- অহা নাই ভাৰতলৈ বৰ্ব্বৰৰ বেশে
মাথোঁ অস্ত্ৰ লৈ, কৰিবৰ হেতু মাত্ৰ
দেশ বিলুণ্ঠন, বীৰপুত্ৰ গ্ৰীচৰ সি
আহিছিল গ্ৰীচৰ পোহৰ লৈ নৱ
বিজুলী-সদৃশ, অন্ধকাৰ দেশলৈ তৱ
এহাতে যদিও অস্ত্ৰ, এহাতে আৰিয়া ধৰি
পাশ্চাত্যৰ জ্ঞান-আলোকৰ। পাশ্চাত্যৰ
প্ৰতিভাৰে সমস্ত ভাৰত তৱ, সমস্ত
পৃথিৱী দিলোঁ হয় কৰি এক, সমস্ত
মানৱ জাতি নানা শাখা-প্ৰশাখাৰে
পল্লবিত, বিকসিত কল্প বৃক্ষ-প্ৰায়
মহা মহীৰুহ এক ধৰণী-বুকুত
বিস্তাৰিলে হয় শোভা জাতিস্কাৰ কৰি
মানৱৰ সভ্যতাৰ পূৰ্ণ সমৃদ্ধিৰে!

ব্যাহত কৰিলা তুমি মোৰ সি আদৰ্শ।
কিন্তু আজি দেখিছাঁতো চকুৰ আগতে
তুমিঃ—মোৰ সি আদৰ্শ নাছিল অলপো।
ভুল, আছিল কি সত্য তাত, আছিল কি
উত্তপ্ত জীৱন। যদিও হটালা তুমি
মোৰ ই দেহাক, হটাবতো নোৱাৰিলা
মোৰ সেই অজেয় পৰাণ পৃথিবীৰ
দিগ্বিজয়ী চিৰ দিন হেৰা।

পুৰু — সেয়েতো দুঃসহ দুখ, আজি মোৰ জানা
শেল হই বাজিছে বুকুত। ভাৰতৰ
কাটি সি কাষৰ তুমিয়েতো দিলা বাট
উলিয়াই, যদিওবা হটালোঁ তোমাক,
ৰোধ কিন্তু নোৱাৰিলোঁ কৰিব সি পথ;
সেই বাটে বাট ললে ক্রমে ক্রমে হায়
শক, হুণ, তাতাৰ মোগল, ইদলৰ
পিছত সিদল; সোণৰ ভাৰত মোৰ
চাওঁতে চাওঁতে হ'ল কণ্ঠাগত প্ৰাণ!
উস্! ভীষণ অৱস্থা কি যে, নধৰিলে
বিদেশীৰ হাত, নোৱাৰে কাঢ়িব খোজ
কোনো সি ক্ষেত্ৰতে; নিজৰ একোৱে নাই
ধৰ্ম্মে-কৰ্ম্মে-শিক্ষায়দীক্ষায়; এটা যেন
প্ৰতিধ্বনি ক'ৰবাৰ নিৰ্জ্জীৱ উভতি
অহা ৰিং! ভাৰত আজিতো নাই আৰ্য্য সি

আগৰ, ছিন্ন-ভিন্ন জাতি এটা মুমূৰ্ষ
সঙ্কৰ !

আলেকজেণ্ডাৰ—মইতো দেখিছোঁ পুৰু, আছে যে জীয়াই
আজিও তোমাৰ দেশ, আচল কাৰণ
তাৰ ময়েহে মাথোন।

পুৰু — তুমিয়ে ?

আলেকজেণ্ডাৰ—ময়ে ! ময়ে কৰিছিলোঁ তাৰ দেহত নতুন
এক তেজৰ সঞ্চাৰ, [মনলই ময়ে
তাৰ আনি দি নতুন ভাব বাহিৰৰ
পৰা, দেখুৱাই দিলোঁ বাট চউপাশে
বিয়পি সি যাবলই সমস্ত দেশত।
বিশুদ্ধ সি আৰ্য্য জাতি তৱ, বিশুদ্ধ সি
আৰ্য্য দীক্ষা বুকুতে সাৱটি, লুপ্ত হই
গ'ল হয় কোন কেতিয়াই অতীতৰ
বিস্মৃতি গৰ্ভত, যদি তাক মাৰি ঢকা
নিদিলে হেঁতেন তুলি টোপনিৰপৰা
জাগ্ৰত গ্ৰীচৰ বীৰ আলেকজেণ্ডাৰে,
নতুন পোহৰ এক, নতুন জীৱন
অনুবিষ্ট কৰি তাৰ দেহে-মনে-প্ৰাণে।

পুৰু — দাম্ভিকতা মাথোঁ ইযে পাশ্চাত্যৰ তৱ
আলকজেণ্ডাৰ ! এবাৰ নিক্ষেপি দৃষ্টি
চোৱাঁচোন সুদুৰ সি অতীতৰ পিনে,
আছিল কি গৰীয়সী জননী ভাৰত ভূমি

স্বধৰ্ম্ম উজ্জল ; নাছিল যি দিনা লভা
পৰ-ধৰ্ম্ম পৰস্পৰ্শ ভাৰতৰ শিক্ষা
দীক্ষা সভ্যতাই বিদেশীৰ ক্ৰমে সেই
আক্ৰমণে সংক্ৰমণ কৰা। হেৰুৱাব
ধৰিলে যিদিন ধৰি স্বধৰ্ম্ম নিজৰ,
হেৰুৱাই অন্তৰাত্মা সেই দিন ধৰি
আহিল ক্ৰমে সি চাপি মৃত্যুৰ ওচৰ।
জাতীয় সি জীৱনৰ হাঁয় হেৰুৱালে
জীৱনী শক্তিকে! পাৰিলেহেঁতেন যদি
ৰাখিব জীয়াই আজি স্বাতন্ত্ৰ্য নিজৰ
স্বধৰ্ম্মক ৰক্ষা কৰি, পাৰেনে কৰিব
আজি ভয়াবহ পৰধৰ্ম্মে এই দশা
ভাৰতৰ, অহৰ্নিশে বাহুলিৰ দৰে
ওলোমা বাহুলি দিয়া গাত সি লোকৰ ?
ক'ত সি ভাৰত হাঁয় বৈদিক ঋষিৰ,
ক'ত আজি ইংৰাজৰ নকল ভাৰত
এই বাহিৰে ভিতৰে ত্ৰাস্ত, নতশিৰ!
আলেকজেণ্ডাৰ—নহয় নিতান্ত কম আত্মঅভিমান
তোমাসাৰো পুৰু! বৈদিক ভাৰত সি কি ?
ভাৰতৰ এচুকত মাথোঁ সৰু সৰু
কিছুমান গাওঁ বা নগৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ
নৃপতিসমূহ, সহজ সৰল এক
জীৱন-যাপন ; আঁজুৰি পিঁজুৰি খোৱা

আদিম সমাজ, দুই চাৰি জন মাথোঁ
মাজে মাজে তাৰে জ্ঞানী বা বিদ্বান লোক,
ঋষি বুলি যাৰ তোমালোকে কৰাঁ নিতে
অসীম গৌৰৱ! বৈদিক ভাৰত এয়ে
গৰ্ব্ব তোমাসাৰ; তাৰ পিছে 'ৰামায়ণ'
'ভাৰতৰ' দিনতো সিমান তোমালোক
যোৱা নাই বৰ বেছি বাঢ়ি আৰু আগ!
'এক ৰাষ্ট্ৰ' বন্ধনৰ সমস্ত ভাৰত
দেখিছিল কোনে বাৰু প্ৰথম সপোন?
গঢ়িছিল কোনে বাৰু প্ৰথম ভেঁটিটো?
দেখা যায় কোনে সজা জুমুধিটো বাৰু
শাসন-ব্যৱস্থাৰূপী প্ৰতিমাৰ তলে
মোগল কি ইংৰাজৰ ৰেঙোৱা আজিও?
পৰেনে মনত সেই বালকৰ কথা
ৰাজশ্ৰী-মণ্ডিত সেই মুখখনি যাৰ
দেখুৱাই তোমাৰ আগত, কৰিছিলোঁ,
বাণী ভবিষ্যৎ মই, মোৰে দৰে হব
বুলি বীৰ ই বালক। চন্দ্ৰগুপ্ত মৌৰ্য্য
সেই প্ৰতিষ্ঠাতা আধুনিক ভাৰতৰ তৰ
গ্ৰীচ-সুতা 'হেলেন'ৰ পৰিণয়-সূত্ৰে
গঁথা প্ৰাচ্য-পাশ্চাত্যৰ মিলনেৰে নৱ।
আছিল আদৰ্শ কোন? কোন সি প্ৰেৰণা
মহা, আছিল প্ৰাণৰ সাম্ৰাজ্য-সাধক

সেই চন্দ্ৰগুপ্ত ভাৰতেশ্বৰৰ বাৰু কোৱাঁ ?

পুৰু — কোন ?

আলেকজেণ্ডাৰ—আলেকজেণ্ডাৰ এই, শতদ্ৰু তীৰত
সেই পৰাভৱ মনা।

পুৰু — ওঁ তাৰ পিছে, তাৰ পিছে হল কিবা আৰু ?

আলেকজেণ্ডাৰ—তাৰ পিছে স্বদেশী বিদেশী ক'ত ৰজা
ও সম্ৰাট, ইজনৰ পিছত সিজন,
আহি গই ক্ৰমে ক্ৰমে ভাৰতক তৰ
কৰিছে বৰ্দ্ধিত, পুষ্ট, সংহত সৃজন।
শিক্ষা দীক্ষা শিল্প-কলা ভাবি চোৱাঁ যত
মোৰ পিছৰেই পৰা, ময়ে তাৰ মূল
প্ৰস্ৰৱণ ! গ্ৰীচৰ প্ৰভাৱ আজি কত
ভাস্কৰত, গ্ৰীচৰ চাৰুতা হাঁহে কত
সি শিল্পত, গ্ৰীচেই জগালে ধৰা,
উৎস তাৰ চৌদিশে পৰিল বাগৰি
তোমাৰো দেশত। গ্ৰীচৰ বাটকে লই
গ্ৰীচৰ পিছতে আহে পাৰস্য, মোগল,
শেষত বৃটন এই গ্ৰীচৰেই সেই
প্ৰতিভা—সম্বলে ধনী; এই দৰে ক্ৰমে
বিদেশীয়ে নিজে নিজে ঐশ্বৰ্য্য-সম্পদে
ভাৰতৰ ভৰালে ভঁড়াল ; তাৰ ফল
'কালিদাস' তোমাসাৰ কবি, 'অজন্তা' সি
অনিন্দ্য সৌন্দৰ্য্য, সৌধ মহা 'তাজ' সেই

অপূৰ্ব্ব সি দাম্পত্যৰ প্ৰণয় মুকুৰ !
পুৰু —   ক্ষান্ত দিয়াঁ ব্যাখ্যা ইতিহাস গ্ৰীচমণি !
থকা হলে বুজবৰ ক্ষমতা তোমাৰ
আছিল পূৰ্ব্বৰ ভাৰত সি কি,
নালাগিল হয় কেতিয়াও ভাৰতৰ
এজনো সি জ্ঞানী বা সাধকে হেৰুৱাব
প্ৰাণ জানা তোমাৰ হাতত ! থ'ক বাৰু
সেই কথা নকওঁ, নুজাৰোঁ আজি মই।
মাথোঁ কওঁ ইমানকে বিদেশীৰ সেই
আঘাততো যদি ভাৰতে দিছিল কিবা
জীৱনৰ পৰিচয় থাকি মাজে মাজে,
নাই তাত তোমাসাৰ কৃতিত্ব অলপো।
তোমাসাৰ গুণে লভা নাই হৃদয়ৰ
মহত্ব ভাৰতে, লভা নাই বল-বীৰ্য্য
সত্য বল, হেঁচাৰ উপৰি হেঁচা সেই
আঘাততো তোমাসাৰ, প্ৰতিভাৰে মাথোঁ
আপোনাৰ পৰিছিল উফৰি স্ফুলিঙ্গ ;
বিতৰে সি আপোনাৰে বিমল সৌৰভ
চন্দনৰ বৃক্ষ যেনে অস্ত্ৰ-আঘাততো
পুনঃ পুনঃ; বিতৰে সি নিৰ্ম্মল সুগন্ধ
আপোনাৰে। ভাৰতৰ বুকুত নিতউ
যদি বিদেশী হেঁচাৰ সেই জগদ্দল
শিলে নধৰিলে হয় হেঁচি, কিবা ৰূপ

অপৰূপ ভাৰতৰ দেখিলা হেঁতেন
আজি ; মানিলে হেঁতেন স্তব্ধ সমস্ত
জগতে, দুৰ্নিবাৰ ৰুচিয়া জাৰ্ম্মানী।
অমৰ অন্তৰ আত্মা ভাৰতৰ আছে
ক'ত গুহাত লুকাই, তাৰেহে ভুমুক
বই যোৱা কেতিয়াবা দেখি অ'ত ত'ত,
ধৰ্ম্মে-কৰ্ম্মে-ত্যাগে-বীৰ্য্যে বাগৰি ওলাই।

আলেকজেণ্ডাৰ—পাহৰি গইছাঁ পুৰু, যত সি মহৎ
শক্তি হ'ক পৃথিবীত, জাতি কি পুৰুষ
যত বীৰ্য্যৱান, পৃথক নিঃসঙ্গ হই
অকলই কোন ক'ত পাৰিছে থাকিব,
ভৰপূৰ হই নিজতে নিজেই বাৰু
স্বয়ম্ভূ ৰূপেৰে ? বিশুদ্ধ পদাৰ্থ একো
নাই জগতত, সকলো যে মিশ্ৰণৰে
ফল, আদান-প্ৰদান ধৰ্ম্ম মানুহৰ
বিশেষতঃ, ডাঙৰে সৰুক দিছে চোৱাঁ
সৰুৰে সি কৰিছে গ্ৰহণ, সৰুৰেও
থাকিলে দিবৰ কিবা দিছে ডাঙৰক,
ডাঙৰোতো থকা নাই নকৰি গ্ৰহণ।
ৰীতি এই চিৰদিন লাগিছে চলিব
বাধা দিয়ে সাধ্য কাৰ তাক ? চোৱাঁচোন
আজিৰ জগৎ এবাৰ, কেনেকৈ চোৱাঁ
একভাব এক ৰাষ্ট্ৰ গঠনৰ পিনে

যায় ক্রমে আগুৱাই অতীতৰ খণ্ড
খণ্ড শিক্ষা সি সমাজ, ৰাষ্ট্ৰ লোষ্ট্ৰবৎ
সাগৰৰ সুতৰি, কিম্বা পিছত পেলাই !

পুৰু — তেনেবুৱা এটা দেখা গৈছিল হওঁতে
হয় বাহিৰৰ পৰা; কিন্তু সিয়ে এক
হোৱাৰ অৰ্থ নহয় হোৱা একাকাৰ
সেই ভুলও পৰিছেতো ধৰা। বৈচিত্ৰ্য
সৃষ্টিৰ তত্ত্ব, নষ্ট কৰি বৈচিত্ৰ্যক যদি
জগৎ-জীৱন কৰাঁ সুবৃহৎ যন্ত্ৰ—
এক, জগদ্দল শিল মাথোঁ, আতমা
বিহীন, স্ফূৰ্ত্তি ক'ত জীৱনৰ? বিকাশ
ব্যক্তিৰ? ব্যক্তিত্ব, বৈচিত্ৰ্য অনাদিৰ?
স্বধৰ্ম্ম নিহিত আছে সকলো পদাৰ্থ
আৰু সকলো জীৱতে, সকলো জাতিতো
একেদৰে, মূলমন্ত্ৰ সৃষ্টিৰে যে সেই
স্বাতন্ত্ৰ্য সবাৰ; লাগিব স্বতন্ত্ৰ হ'ব,
স্বধৰ্ম্মক পাব, কৰিব নিজক সচেতন,
অৰ্থ কিবা আত্মহীন মিলনৰ বাৰু
মিলন কি প্ৰাণহীন আত্ম-বিসৰ্জ্জন ?

আলেকজেণ্ডাৰ—বৈচিত্ৰ্যৰ অৰ্থ যদি হয় মাত্ৰ আৰু
স্ব স্বপ্ৰধান হৈ উঠা, নিজক বিশুদ্ধ
কৰি ৰাখিবৰ হেতু নিজৰেই ভিতৰত
নাদৰ ভেঁকুলি হই চিৰদিন থকা,

স্বধৰ্ম্ম হেৰাব বুলি যদি নিজৰেই
চউপাশে চীনৰ প্ৰাচীৰ তুলি দিয়া,
তেন্তে সি বিশুদ্ধ ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱ কি
সমাজ নাথাকিব বহুদিন জগততো
জানা, লুপ্ত হ'ব অচিৰেই হেৰাঁ চিৰ
দিনলই, ধৰণীৰ অঞ্চলৰপৰা।

পুৰু — "স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ- পৰধৰ্ম্ম" জানা
"ভয়াবহঃ"। মিলনৰ আগেয়ে পৰৰ
লগত, নিজক লাগিব পাব, পাবলৈ
নিজক পোনতে, লাগে যদি বিসজিব
সংশ্ৰৱ পৰৰ, তেন্তে ভাল বিসৰ্জন
দিয়া সেই পৰৰ সংশ্ৰৱ অকুণ্ঠিতে!
সম্ভৱতঃ তুমি বীৰ কৰিবাঁ স্বীকাৰ
বহু গৰীয়ান সি যে নিজত্ব ক্ষুদ্ৰৰ
বৃহৎ পৰত্বহন্তে। নহওঁ সাধক
জানা সাম্ৰাজ্যৰ মই, মই যে সাধক
সেই স্বাৰাজ্যৰ ভাৰত-আত্মাৰ চিৰ!

আলেকজেণ্ডাৰ—[পুৰুলৈ হাত আগ বঢ়াই দি]
এইবাৰো, এইবাৰো পুৰু!
পৰাভৱ কৰিছোঁ স্বীকাৰ, যোগ্যপুত্ৰ
তুমি সেই ভাৰতৰে চিৰ সাধনাৰ,
যাৰ অজৰ অমৰ এই সুশীতল
জ্ঞান—কল্পতৰু!

———

## ফুকন।

মূৰ্ত্তিমতী স্বাধীনতা মুক্ত বাকদেৱী
শাসনসংযত কণ্ঠ তৱ অধিষ্ঠান
কৰি, বহুদিন ইদেশত মূৰ্চ্ছাপ্ৰায়
আছিল নীৰৱে পৰি। লভি মহাস্পৃশ
স্পৰ্শমণি মহাত্মাৰ আজি, মায়ামোহ
যত, যত ৰাজভয়, মৃত্যুভয় ধূলি—
আবৰণ, পৰিল মুহূৰ্ত্তে খহি যত
ভ্ৰান্ত অধীনতা, হৃদি কণ্ঠ ৰাজি তৱ
জাগিল দেৱতা; তড়িৎ পৰশে যেন
হৰষত লজ্জাৱতী লতা১। মুক্ত তুমি,
মুক্তকণ্ঠ আজি তুচ্ছ বাহ্য বন্ধনেৰে
তৃপ্ত তুমি, দৃপ্ত তুমি, দৃপ্ত জন্মভূমি
দীপ্তি আজি অসমৰ লুপ্ত গৌৰৱৰ
ফুকন উপাধি ধৰি বীৰ অসমৰ।

---

* ১৯২১ চনৰ সত্যাগ্ৰহ আন্দোলনত দেশভক্ত ৺তৰুণ ৰাম ফুকণক প্ৰথমে গ্ৰেপ্তাৰ কৰোঁতে লিখা।

১ বৈজ্ঞানিক চাৰ ৺জগদীশ চন্দ্ৰ বসুৱে প্ৰথমে লজ্জাৱতী লতাত (নিলাজী বন) তড়িৎ স্পৰ্শ কৰি উদ্ভিদৰ যে প্ৰাণ আছে এইটো আবিষ্কাৰ কৰে।— লেখক।

# বন্ধুবৰ কবি।

৺কমলানন্দ ভট্টাচাৰ্য্যদেৱৰ বিয়োগত

—:০:—

বন্ধু,

আজি গাম কি বিৰহ-গান
নাই ছন্দ, নাই তান
অসহ ই বিৰহত
হৃদয় বিভোৰ,
আবাল্য বন্ধুৰ তৱ
হে প্ৰিয় বন্ধু মোৰ!

*

তোমাৰ সঙ্গীত আজি
কেনি ভাহি যায়,
ধূসৰ ধূলিৰ ঢউৰে
নীৰৱ সন্ধিয়া!
বাজি উঠে চমকাই
কোন সি আন্ধাৰ হাঁয়,
ধৰাব এখনি সেই
সকৰুণ হিয়া,
ভাবিছোঁ তাকেহে বহি
এই নীৰৱ সন্ধিয়া।

যি গান-বেদনা লই
আহিছিলা তুমি
গানৰ পূজাৰী,
হৃদয় উজাৰি—
দিলা যি মৰ্ত্ত্যক দান,
মোহিলা বন্ধুৰ হিয়া
বিলালা আময়া !—
যি গানৰ, যি প্ৰাণৰ
মহা ব্যাকুলতা,
করুণ কাহিনী কথা
যুগ যুগ ধৰি আজি
বিশ্বত উঠিছে বাজি
চৰাইৰ মাতৰেপৰা
মানুহৰ ছয়ৰাগ ছয়ত্ৰিশ ৰাগিণী,—
অখণ্ড সোঁতৰ তুলি মহাতৰঙ্গিণী,
পালা-কি সন্ধান আজি
উৎস ক'ত তাৰ ?
লভিলা কি সঙ্গ সেই
সিন্ধুৰ অপাৰ ?

*

আছিল যি জীৱনত প্ৰতি দিন
মিছা, অৰ্থহীন—
—অসাৰ সংসাৰ !

অৰ্থপূৰ্ণ কৰি আজি
    লভিলোঁ কি তাৰ কিবা সাৰ ?
অতৃপ্ত তৃষ্ণাৰ তব সেই
    প্ৰেম-জলধিৰ
তৃপ্তি, লভি, অতদিনে
    হলোঁ নে কি সুধীৰ, সুস্থিৰ ?

*

নতু নাই ! নাই ! একো নাই !
    শূণ্য কেৱল হাঁয়
    শুকালোঁ, ঢুকালোঁ তুমি
        হেৰালোঁ তেনেই !
হেৰাইছে ক্ষণে ক্ষণে
    সংসাৰত যত, যি যেনেই !
ই ব নীৰৱ ৰহস্যে মাথোঁ
    কৰিছে ই হৃদয় বিমোৰ !
নাই ছন্দ, নাই তান
    গাম কি সুৰেৰে গান
অসহ্য তোমাৰ এই
    বিৰহৰ ঘোৰ !
আবাল্য বন্ধুৰে তব
    হে প্ৰিয় বন্ধু মোৰ !
আজি বাজিছে প্ৰাণত মাথোঁ
তোমাৰে গানৰ ধ্বনি সেই

হিয়া পৰশা,
"আকতো নাবাজে সুৰ
সুধা বৰষা
ছাটিলে ঢাকিলে হিয়া
গভীৰ নিৰাশা।"

---

## ৺দেউতা

দেউতা! দেৱতা আজি!
নতু হলা মৰ্ত্য-বাসী
ক'ৰবাত গই
নতুন জনম লই,
—নাজানো সি কথা!
তোমাৰে বিস্তাৰ মাথোঁ।
ক্ষুদ্র ই অস্তিত্ব মোৰ
তুমি বিনে শূণ্য মই
বাজিছে প্ৰাণত
এই মৰ্ম্ম ভেদী ব্যথা!

*

প্ৰথম পৰাণে হায়
ক'ৰ পৰা লভিলে পৰাণ
উদ্ভৱ হঠাৎ

এই মৰতত আহি,
তৃণ-তৰু-পতঙ্গ ৰূপেৰে
ক্ৰমে চৰাই চৃকতি হই
সৰ্ব্বশেষে. অনুপম এই
মানুহ ৰূপেৰে হাঁহি ?

*

আদি তাৰ জনা নাই
আদি তাৰ পোৱা নাই
বাক্য-মন ঘূৰি আহে
হাৰ মানি মানি,
প্ৰত্যক্ষ দেৱতা ৰূপে
তোমাকেই পিতৃ বুলি
লভিলো আস্বাদ মাথোঁ
পুত্ৰত্বৰ এই
একোকে নাজানি ।

•

তুমি ধাতা, তুমি পাতা মোৰ
তুমি মোৰ সৰগৰ
প্ৰথম দুৱাৰ,
তুমিয়েই, প্ৰতিনিধি হলাঁ আহি সেই
জগতত আদি দেৱ
পৰম পিতাৰ !

•

তোমাৰেই প্ৰেমময় দান
মোৰ এই নৰ তনু,
মোৰ এই প্ৰাণ
তোমাৰেই নতুন বিস্তাৰ ;
কত তৃষ্ণা আশা ভৰসাৰ
পৃথিবীৰ মনুষ্য আকাৰ।

*

তোমাৰেই স্মৰণত লভিছোঁ আস্বাদ
নেদেখা নুশুনা দেৱ
পিতা সেই পৰম জনৰ,
পিতা ধৰ্ম্ম, পিতা স্বৰ্গ, তপস্যা পৰম
প্ৰত্যক্ষ ঈশ্বৰ-ৰূপে
মোৰ এই দেহৰ মনৰ !

*

তোমাৰেই স্মৰণত আজি
পৰম পিতাৰ ৰব
উঠক প্ৰাণত মোৰ বাজি,
পিতা মোৰ হে 'পিতা নোহসি' !
পিতাৰো পৰম পিতা
তোমাৰে ভক্তিত
হ'ক আহি
হৃদয়ত থিত,
পিতা মোৰ,—'পিতা নো বোধি !'

---

# অঞ্জলি

অঞ্জলি দিওঁ কোন দেৱতাক ?
কিবা উপচাৰ
কিবা সি বাণী ?
লাগে ষ'ত যিবা দ্যু-লোক ভূ-লোক,
থাপিলে যি জনে
—গাঁথিলে ছন্দে
জগৎ-কবিতা
আপোন-বাণী !
কোন সি দেৱতা ? অঞ্জলি দিম
পূজিম আমি নো
হব্য দানি ?

*

অঞ্জলি দিম কোন দেৱতাক ?
উচ্চাৰোঁ কোন
—মন্ত্ৰ বাণী ?
জ্বলাওঁ প্ৰদীপ কোন মন্দিৰত
কিবা পোহৰেৰে
শলিতা-কানি ?
—পোহৰতে যাৰ দীপ্ত সি ৰবি

তৃপ্ত চন্দ্র
হৰ্ষ-সানি ;
কোন সি দেৱতা ! জ্বালিম প্ৰদীপ
পূজিম আমিনো
হব্য দানি ?

•

অঞ্জলি দিওঁ কোন দেৱতাক ?
কিবা সি মন্ত্ৰ
কিবা সি বাণী ?
মহিমাতে যাৰ লভিছে জন্ম
হিমৰ গিৰি,
ৰসধাৰ বয় নদী-সিন্ধুৰে
পৃথিবী ঘেৰি ;
দশোদিশ যাৰ অভয় হস্ত
আছে যে ছানি,
কোন সি দেৱতা ! অঞ্জলি দিম
পূজিম আমিনো
হব্য দানি ?

•

অঞ্জলি দিওঁ কোন দেৱতাক ?
কিবা উপচাৰে
কিবা সি বাণী ?
আত্মা যি দিয়ে, শক্তি যি দিয়ে

বিশ্বধ্যেয়,

কৰে যি শাসন সকলো দেৱতা

সবাতো যিজন

শ্ৰেয়;

অমৃত মৃত্যু যাৰে দুটি-মাথোঁ

ছাঁয়াহে" জানি,

কোন সি দেৱকা অঞ্জলি দিম

পূজিম আমিনো

হব্য দানি?

*

অঞ্জলি দিওঁ কোন দেৱতাক?

কিবা সি মন্ত্ৰ

কিবা সি বাণী?

কম্প্ৰ, সজীৱ জঙ্গমাদিৰ

যিজনা স্বামী,

স্বীয় মহিমাতে মহান যিজনা

বুজোঁ কি আমি?

কোন সি দেৱতা? অঞ্জলি দিম

পূজিম আমিনো

হব্য দানি?

*

পৃথিৱীৰ পিতা স্বৰ্গ-জনিতা

যিজনা আপুনি

বাণীৰো বাণী,
বিশ্বৰ প্ৰতি অণু-পৰমাণু
বস্তু যত
ধৰিছে যিজনে
কৰিছে নিতউ
নিয়মগত ;
সিজনাৰে প্ৰতি অঞ্জলি দিওঁ
জলেৰে জলন্ত—
হিয়াকে আমাৰ
হব্য জানি,
কৰি নিয়ন্ত্ৰিত আমাৰো জীৱন—
নন্দিত কৰি কোটি প্ৰাণ-মন,
পূৰাওক কামনা তেৱেঁই আমাৰ
কাম্য দানি ;
অঞ্জলি দিওঁ সিজনাৰে প্ৰতি
হিয়াকে আমাৰ
হব্য দানি ।*

———

*কিঞ্চিৎ স্বীয় কল্পনাৰ বহেনেৰে—ঋগ্বেদ ১০ মণ্ডল, ১২১ সূক্তৰ এবাধৰা অনুবাদ । লিখোঁতা ।